# আনক সহায় কৰা

দয়ালু চমৰীয়াই এজন অচিনাকী ব্যক্তিক সহায় কৰিছিল।

**প্ৰাৰ্থনা ঃ** "হে পিতৃ, ব্যৱহৃত হোৱাকৈ আমাৰ প্ৰয়োজনত থকা চুবুৰীয়াক প্ৰেম কৰিবলৈ সহায় কৰক।"

**স্থানীয় ৰীতি অনুযায়ী** আৰু ল'ৰা-ছোৱালীৰ জীৱনত খাপ খুউৱাকৈ কৰিবলগীয়া কাম বাচি লওক। লূক ১০ঃ২৫-৩৭ চাওক। কেনেকৈ কৰাটো ঈশ্বৰে আমালৈ ইচ্ছা কৰে।

- শিক্ষকক লূক ১০ঃ২৫-৩৭ কাহিনীটো ক'বলৈ দিয়ক।
- বুজাই দিয়ক যে আঘাত পোৱা লোকজন এগৰাকী যিহুদী লোক আৰু প্ৰকৃত প্ৰেম প্ৰদৰ্শন কৰা জন এটা পৃথক জাতিৰ, চমৰিয়া যিহূদী আৰু চমৰিয়া লোক বিলাকে একেটা অঞ্চলতে বাস কৰিছিল কিন্তু দুয়োৰে মাজত শত্ৰুতা আছিল।



- ল'ৰা-ছোৱালীক সুধিবলগীয়া প্ৰশ্নবোৰ ঃ

১। চমৰিয়া লোকজন অহা আগেয়ে কেইজন মানুহ সেই আঘাত পোৱা ব্যক্তিজনৰ ওচৰেদি পাৰ হৈ গৈছিল?

২। পুৰোহিত আৰু লেবীয়াজন সেই মানুহজনৰ একে জাতিৰ। তেওঁলোকে সহায় কৰিবলৈ কিয় নৰ'ল বুলি তোমালোকে ভাবা বাৰু?

৩। আঘাত পোৱা ব্যক্তিজনৰ লোকবিলাকৰ লগত যুঁজ কৰা চমৰিয়াজন এক বেলেগ জাতিৰ আছিল। তেওঁ বাৰু সেই আঘাত পোৱা ব্যক্তিজনৰ প্ৰতি কি অনুভৱ কৰিলে?

৪। চমৰিয়া লোকজনে মানুহজনলৈ কি কৰিলে?

৫। এই কাহিনীটোৰ আমি কাৰ আদৰ্শ অনুকৰণ কৰিব লাগে বুলি যীচুৱে কৈছিল?

**নাটক কৰি দেখুৱাউক ঃ** দয়ালু চমৰিয়াৰ কাহিনীটো লূক ১০ঃ২৫-৩৭। আখৰা কৰি উপাসনাৰ সময়ত আটাইকে দেখুৱাউক। কাহিনীটোকে নাটক কৰক। ডাঙৰসকলক কিছু প্ৰশ্ন কৰিব পাৰে।

- সৰু ল'ৰা-ছোৱালীক চুৰ, আঘাত পোৱা যিহূদী, পুৰোহিত আৰু লেবীয়াৰ ভাও দিয়ক। সিহঁতে কথা নোকোৱাই কেৱল নিজৰ ভাগ কৰি দেখুৱাব।
- জিৰণি ঘৰৰ মালিকক কেৱল চমৰিয়া লোকজনে ক'ব, "তেওঁৰ যত্ন ল'ব। তেওঁৰ বাবে যি অধিক খৰছ হয়, মই উলটি আহি আপোনাক দিম।" তেৰোঁ কথাখিনি নোকোৱাকৈ আকাৰে ইঙ্গিতে বুজাব পাৰে।
- আখৰাৰ বাবে, কাহিনীটো পঢ়িব আৰু ভাৰৰীয়াই নিজৰ ভাগ কৰিব। কথা নোকোৱাকৈ কৰোঁতে, আপোনাৰ মুখত যেন ভাববোৰ ফুটি উঠে।
- দুজন ডাঙৰ ল'ৰাক খছৰ আৰু দয়ালু চমৰিয়াৰ ভাও দিব। সিহঁতে তললৈ হালি দিওঁতে দুখন কম্বল ঢাকি দিব।



পিছফালে এডাল নেগুৰ আৰু মূৰৰ ফালে দীঘলীয়া কাও (ডাঠ কাগজেৰে বনাব) লগাই দিব। মাজে মাজে খছৰক হি, হি বুলি চিঞৰিবলৈ দিব।

- কি নাটক দেখুৱাব সেই বিষয়ে মণ্ডলীক আগতীয়াকৈ নজনাব। কিহৰ নাটক কৰিছে পিছত প্ৰশ্ন কৰক।

এটা খছৰৰ ছবি আঁকি বুজাব- কেনেকৈ এই জীৱনত আমি পৰস্পৰৰ বোজাৰ ভাৰ বৈ সহায় কৰিব পাৰোঁ।

**পদ্য ঃ** তিনিটা ল'ৰা-ছোৱালীক গীতমালা ৪১ঃ১-৩ পদ আবৃতি কৰিবলৈ দিয়ক।

যি জনে দৰিদ্ৰলৈ চিন্তা কৰে, সেইজন ধন্য;
যিহোৱাই তেওঁক সঙ্কটৰ কালত উদ্ধাৰ কৰিব।
যিহোৱাই তেওঁক ৰক্ষা কৰি জীয়াই ৰাখিব;
তেওঁ দেশত আশীৰ্ব্বাদ পাব; তুমি তেওঁক

শত্ৰুবোৰৰ ইচ্ছাত সমৰ্পণ নকৰিবা।
তেওঁ নৰিয়া হৈ শয্যাত পৰি থাকিলে

যিহোৱাই তেওঁক সহায় কৰিব;
তেওঁ নৰিয়া পৰাত, তুমি তেওঁক সম্পূৰ্ণকৈ সুস্থ কৰিলা।

## কাৰ্য্যৰ দ্বাৰা ভাব প্ৰকাশ কৰা



- এডাল মমবাতি জ্বলাই মেজৰ ওপৰত থব।
- এটা ডাঙৰ বাকচ অথবা খৰাহিৰে মমবাতি ডাল ঢাকিব, যেন তাৰ পোহৰ লুকাই যায়। সহজে জুই জ্বলা বস্তু ব্যৱহাৰ নকৰিব।
- মথি ৫ঃ১৪-১৬ পঢ়ক আৰু বাকচ/খৰাহিটো আঁতৰাই দিয়ক। এই কথা বুজাওক যে ঈশ্বৰলৈ প্ৰেমে আমাক প্ৰয়োজনত থকা লোকক সহায় কৰিবলৈ শিকায়।

মথি ৫ঃ১৬ **মুখস্থ কৰক**।

**প্ৰাৰ্থনা ঃ**

"হে পিতৃ, আমাৰ চাৰিওকাষে থকা লোকৰ প্ৰয়োজনবোৰ দেখা পাবলৈ আমাক সহায় কৰক।
আমি তেওঁলোকক জানো বা নাজানো, সহায় কৰাত যেন তৎপৰ হওঁ।
তেওঁলোকক ব্যৱহাৰ হোৱাকৈ যেন আমি আমাৰ প্ৰেম দেখুৱাব পাৰোঁ।
বন্ধু, পৰিয়ালৰ লোক, আনকি শত্ৰুকো প্ৰেম কৰিবলৈ সহায় কৰক।
যীচুৰ নামত, আমেন।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net